**GRAMALOK PROGRAMME**

**PUBLISHED ON 20.06.2022 FROM ASOXMIYA PRATIDIN (GUWAHATI EDITION)**

# মাজুলী মহাবিদ্যালয়ৰ উদ্যোগত সাহিত্য অকাডেমিৰ 'গ্ৰামালোক' অনুষ্ঠান

প্ৰতিদিন সেৱা, কমলাবাৰী, ১৯ জুন ঃ মাজুলী মহাবিদ্যালয়ৰ উদ্যোগত সাহিত্য অকাডেমিৰ 'গ্ৰামালোক' শীৰ্ষক সাহিত্য পাঠ তথা মুখামুখি অনুষ্ঠান আজি অনুষ্ঠিত হয়। কমলাবাৰীৰ উপকণ্ঠ বৰটানীৰ কাণকুৰিকা মধ্য ইংৰাজী বিদ্যালয়ত দিনৰ দুই বজাৰ পৰা অনুষ্ঠিত এই বিশেষ সাহিত্য পাঠ অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয় আউনীআটী শাখা লেখিকা সমাৰোহৰ সদস্যাসকলৰ এটি সমবেত গীতেৰে। কাণকুৰিকা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাজেন দুৱৰীয়াই বন্তি প্ৰজ্বলন কৰা সভাখন সঞ্চালনা কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। মহাবিদ্যালয়ৰ অধ্যাপিকা মায়াশ্ৰী ডেকা হাজৰিকাই আঁত ধৰা অনুষ্ঠানত আদৰণি ভাষণ দিয়ে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নবেন চন্দ্ৰ ঠাকুৰীয়াই। লেখকসকলৰ সাহিত্য পঠ আৰম্ভণিতে মহাবিদ্যালয় আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° দেৱভূষণ বৰাই বক্তব্য দাঙি ধৰে। গ্ৰামাঞ্চলৰ 'গ্ৰামালোক' শীৰ্ষক সাহিত্য পাঠৰ অনুষ্ঠানত সাহিত্যিক অৱনী বৰাই চুটিগল্প 'মৰিশালিৰ ভূত', ইন্দুলেখা হাজৰিকাই স্বৰচিত কেইবাটাও অণুগল্প, ডিম্বেশ্বৰ ভূঞাই ভালেকেইটা কবিতা, কৰুণা বৰাই 'অকণ্য সংস্কৃতি', মিনতি শইকীয়াই কবিতা পাঠ কৰে। মত বিনিময় অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক হৰেন চন্দ্ৰ শইকীয়া, অধ্যাপক অনিল চন্দ্ৰ হাজৰিকা, ড° দুলাল হাজৰিকা, মাজুলী জিলা সাংবাদিক সন্থাৰ সম্পাদক দীপু বৰা, আউনীআটী শাখা লেখিকা সমাৰোহৰ সভানেত্ৰী সুৰ শইকীয়া হাজৰিকা, সম্পাদিকা মৃণালী দেৱী, কাণকুৰিকা মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক কুমুদ চন্দ্ৰ বৰা, শিক্ষয়িত্ৰী অমিয়া দেৱী বৰঠাকুৰ আদিয়ে অংশগ্ৰহণ কৰে।